ULB

# Assamese Unlocked Literal Bible

## নহূম ভাববাদীৰ পুস্তক

### সংস্কৰণ 4

[as]

No warranties are given. The license may not give you all of the permissions necessary for your intended use. For example, other rights such as publicity, privacy, or moral rights may limit how you use the material.

# সুচিপত্ৰ

**নহূম ভাববাদীৰ পুস্তক** **5**
Chapter 1 5
Chapter 2 5
Chapter 3 6
**অবদানকাৰী** **7**
Assamese Unlocked Literal Bible অবদানকাৰী 7
Tischendorf Greek New Testament 8th edition অবদানকাৰী 7

# নহূম ভাববাদীৰ পুস্তক

## Chapter 1

1মই ইলকোচ গাৱঁৰ নহূম। যিহোৱাই মোক দৰ্শনৰ যোগেদি দিয়া নীনবি নগৰৰ বিষয়ে এই এক ঘোষণা।

### নিজ শত্ৰুবোৰৰ ওপৰত ঈশ্বৰে সধা প্ৰতিকাৰ

2যিহোৱা নিজ মৰ্য্যদা ৰখাত উদ্যোগী আৰু প্ৰতিকাৰ সাধোঁতা ঈশ্বৰ; যিহোৱা প্ৰতিকাৰ সাধোতা আৰু ক্ৰোধেৰে পৰিপূৰ্ণ; যিহোৱাই তেওঁৰ নিজ
বিৰোধী সকলৰ ওপৰত প্ৰতিকাৰ সাধে আৰু নিজ শত্ৰুবোৰৰ কাৰণে ক্ৰোধ ৰাখে। 3যিহোৱা ক্ৰোধত ধীৰ আৰু পৰাক্ৰমত মহান; কিন্তু তেওঁ
দোষীক কোনো মতেই নিৰ্দ্দোষী ঘোষণা নকৰে; বা-মাৰলী আৰু ধুমুহা হ'ল যিহোৱাৰ পথ আৰু মেঘ তেওঁৰ ভৰিৰ ধূলিস্বৰূপ।

4তেওঁ সমুদ্ৰক ধমকি দি শুকুৱাই পেলায় আৰু আটাই নদ-নদী শুকান কৰে; বাচানৰ সৈতে কৰ্মিল অৱসন্ন হ'ল আৰু লিবানোনৰ ফুলবোৰো
শুকাই গ'ল। 5তেওঁৰ ভয়ত পৰ্ব্বতবোৰ কপেঁ আৰু গিৰিবোৰ দ্ৰৱীভূত হয়; তেওঁৰ আগত পৃথিৱী, এনে কি, জগতখন আৰু তাৰ সকলো নিবাসী
ভাগি পৰে।

6তেওঁৰ ক্ৰোধৰ আগত কোনে থিয় হ'ব পাৰে? তেওঁৰ প্ৰচণ্ড কোপত কোনে সহ্য কৰিব পাৰে? তেওঁৰ প্ৰচণ্ড কোপত কোনে থিয় হব পাৰে?
তেওঁৰ ক্ৰোধ অগ্নিৰ দৰে আহে আৰু তেওঁৰ দ্বাৰাই শিলবোৰ ডোখৰ ডোখৰকৈ ভঙা হয়।

7যিহোৱা মঙ্গলময়, সঙ্কটৰ দিনা তেওঁ দৃঢ় কোঁঠাস্বৰূপ; আৰু তেওঁ তেওঁত আশ্ৰয় লোৱা লোকসকলক জানে। 8কিন্তু তেওঁ তেওঁৰ শত্ৰুসকলক
ধল বানপানীৰ দ্বাৰাই সম্পূৰ্ণকৈ শেষ কৰিব আৰু তেওঁ সেই লোকসকলক আন্ধাৰলৈ খেদিব। 9তোমালোকে যিহোৱাৰ বিৰুদ্ধে কি চক্ৰ কৰিছা?
তেওঁ সম্পূৰ্ণকৈ অন্ত কৰিব; দ্বিতীয়বাৰ সঙ্কট নহ'ব। 10কিয়নো, সিহঁত জোঁট লগা কাঁইটৰ নিচিনা হলেও, সিহঁতক শুকান নৰাৰ নিচিনাকৈ ভস্ম
কৰা হ'ব। 11যিহোৱাৰ বিৰুদ্ধে কুকল্পনা কৰোঁতা, কু-আলচ কৰোঁতা, তোমালোকৰ এজন নীনবি নগৰৰ পৰাই ওলাল । 12যিহোৱাই এই কথা
কৈছে: যদিও তেওঁলোক শক্তিৰে পূৰ আৰু বহুসংখ্যক হলেও, তেওঁলোকক উচ্ছন্ন কৰা হ'ব আৰু তেওঁলোকৰ কোনো এজনো অৱশিস্ত
নাথাকিব। কিন্তু হে যিহূদা, যদিও মই তোমাক দুখ দিলোঁ, মই তোমাক আৰু দুখ নিদিম। 13মই এতিয়া তোমাৰ পৰা তাৰ যুৱলি ভাঙি পেলাম,
আৰু তোমাৰ বান্ধবোৰ ছিঙি পেলাম।”

14আৰু হে নীনবি নগৰ, তোমালোকৰ বিষয়ে যিহোৱাই আজ্ঞা দিছে যে, তোমালোকৰ কোনো বংশ-ধৰৰ পৰা তোমালোকৰ নাম ৰাখা নাযাব;
মই তোমালোকৰ দেৱতাবোৰৰ ঘৰৰ পৰা কটা-মূৰ্ত্তি আৰু সাচঁত ঢলা মূৰ্ত্তিবোৰ উচ্ছন্ন কৰিম; মই তোমালোকৰ কবৰ খান্দিম, কিয়নো
তোমালোক পাপিষ্ঠ।

15চোৱা, যি জনে শুভবাৰ্ত্তা আনে আৰু শান্তি প্ৰচাৰ কৰে, সেই জনৰ চৰণ পৰ্ব্বতৰ ওপৰত আছে! হে যিহূদা, তোমালোকৰ পৰ্ব্ববোৰ পালন
কৰা আৰু তোমালোকৰ প্ৰতিজ্ঞাবোৰ সিদ্ধ কৰা, কিয়নো দুষ্ট লোকজনে তোমালোকক আক্ৰমণ নকৰিব, সি নি:শেষে বিনষ্ট হ'ল।

## Chapter 2

### নীনবিৰ অৱৰোধ আৰু পতন ।

1যি জনে তোমলোকক ডোখৰ-ডোখৰকৈ ভাঙিব, তেওঁ তোমালোকৰ বিৰুদ্ধে উঠি আহি আছে। তোমালোকে দুৰ্গবোৰ দৃঢ় কৰা, বাটবোৰলৈ
পহৰা দি থাকা, নিজকে অতিশয় বলৱান কৰা আৰু নিজ সৈন্যদলবোৰক একত্ৰিত কৰা। 2কিয়নো যদিও লুণ্ঠন কৰোঁতাসকলে তেওঁলোকক
খালি কৰি উলিয়াই পঠিয়ালে আৰু তেওঁলোকৰ দ্ৰাক্ষালতাৰ ডালবোৰ নষ্ট কৰিলে তথাপিও যিহোৱাই ইস্ৰায়েলৰ মহত্বৰ দৰে যাকোবৰ মহত্ত্ব
পুনৰায় স্থাপন কৰিব।

3তেওঁৰ বীৰ লোকসকলৰ ঢালৰ ৰং ৰঙা আৰু পৰাক্ৰমী লোকসকল সেন্দুৰ বৰণীয়া কাপোৰ পিন্ধা; তেওঁলোক যুদ্ধলৈ সাজু হোৱা দিনা
ৰথবোৰৰ তীখা (লো আৰু কাৰ্বন মিহলাই তৈয়াৰ কৰা সংকৰ ধাতু) জিলিকে আৰু ছাইপ্ৰেচ গছবোৰৰ জাঠিবোৰ হাতত বৰকৈ বতাহত তুলি
ধৰি লৰাবলৈ ল'লে। 4ৰথবোৰ অতি বেগৰে বাটৰ মাজেদি চলিবলৈ ধৰিলে; তেওঁলোকে বহল মুকলি বাটবোৰত ইখনে সিখনক ইফালে-
সিফালে চলালে। সেইবোৰ দেখিবলৈ আৰিয়াৰ নিচিনা আৰু সেইবোৰ বিজুলীৰ নিচিনাকৈ অতি বেগেৰে গৈছে।

5যি জনে তোমালোকক ডোখৰ-ডোখৰকৈ ভাঙিব, তেওঁ নিজ বিষয়াসকলক মাতি পঠিয়াইছে; এনেতে তেওঁলোকে বেগেৰে যাওঁতে যাওঁতে উজুটি খালে; তেওঁলোকে ততালিকে দুৰ্গটো আক্ৰমণ কৰিবলৈ যায়। আক্ৰমণ কৰোঁতা সকলক ৰক্ষা কৰিবলৈ ঢালবোৰ যুগুত কৰা হ'ল।

6নদীবোৰত থকা দুৱাৰবোৰ মুকলি হৈ গল আৰু তেতিয়া ৰাজগৃহ পানীত নাশ হৈ গ'ল। 7যিহোৱাই এই বিষয়ে কথা কৈছিল: ৰাণী হুচব
অনাবৃতা হ'ল আৰু তেওঁক নিয়া হ'ল; তেতিয়া তেওঁৰ বেটিসকলে বুকুত ভুকুৱাই কপৌৰ স্বৰেৰে শোক কৰিছে।

8কিন্তু নীনবি আগৰ কালৰে পৰা এটা জলপূৰ্ণ পুখুৰীস্বৰূপ; তথাপি তেওঁলোক বৈ যোৱা পানীৰ দৰে পলাইছে। অন্য লোকসকলে “ৰ'বা ৰ'বা”
বুলি চিঞৰে, কিন্তু কোনেও ঘূৰি নাচায়। । 9তোমালোকে ৰূপ লুট কৰি নিয়া, সোণ লুট কৰি নিয়া, কিয়নো সৌন্দৰ্যৰ মহিমা বস্তুবোৰৰ কোনো
সীমা নাই। সকলো প্ৰকাৰ মনোহৰ বস্তু অতিশয় অধিক পৰিমাণে আছে। 10সেই নীনবি শুদা আৰু উচ্ছন্ন; প্ৰতিজনৰ ভয়ত মন পমি গৈছে আৰু
আঁঠুৱে আঁঠুৱে লগালগি হৈছে, সকলোৰে বেদনা, আৰু সকলোৰে মুখ বিবৰ্ণ হৈছে ।

11যি ঠাইত কোনেও ভয় নথকাকৈ সিংহ, সিংহিনী আৰু সিংহ পোৱালিৰ দৰে ফুৰিছিল, সিংহৰ সেই গুহা আৰু যুবা সিংহৰ সেই খোৱা ঠাই
ক'ত? 12সিংহই নিজৰ পোৱালিবোৰৰ কাৰণে জোৰাওকৈ অনেক পশু ছিৰিছিল আৰু নিজ সিংহিনীবোৰৰ কাৰণে ডিঙিত টেপা দি মাৰিছিল
আৰু বলিৰ চিকাৰেৰে নিজৰ গুহাবোৰ আৰু ধৰি অনা নিজৰ চিকাৰবোৰ গাঁতবোৰত ভৰাই ৰাখিছিল ।

13বাহিনীসকলৰ যিহোৱাই কৈছে, “চোৱা, মই তোমালোকৰ বিপক্ষ;” “মই তোমালোকৰ ৰথবোৰ ধূঁৱাত পুৰি পেলাম আৰু তৰোৱালে তোমালোকৰ যুবা সিংহবোৰক গ্ৰাহ কৰিব; মই তোমালোকৰ দেশৰ পৰা তোমালোকৰ চিকাৰ উচ্ছন্ন কৰিম আৰু তোমলোকৰ দূতসকলৰ মাত আৰু শুনা নাজাব।

## Chapter 3

1পৰিপূৰ্ণ ৰক্তৰে নগৰীৰ সন্তাপ হওঁক! তাই মিছা কথা আৰু লুন্ঠনৰ সম্পত্তিৰে পৰিপূৰ্ণ; তাইত চিকাৰ সদায় থাকে। 2কিন্তু এতিয়া চাবুকৰ শব্দ,
চকাৰ ঘৰ্ঘৰণীৰ শব্দ, জপিয়াই থকা ঘোঁৰা আৰু জপিওৱা ৰথৰ শব্দ শুনা যায়।

3আক্ৰমণকাৰী অশ্বাৰোহী, চিকমিকোৱা তৰোৱাল, জিলিকা বৰছা, হত হোৱা লোকসমূহ আৰু দ'ম হৈ থকা বৃহৎ মৃত-দেহবোৰ; মৰা শৰবোৰৰ
সীমা নাই, তেওঁলোকৰ শৰৰ ওপৰত তেওঁলোকৰ আক্ৰমাণকাৰীসকলে উজুটি খায়। 4ইয়াৰ সংঘটিত হোৱাৰ কাৰণ হ'ল, যে পৰম সুন্দৰী যি
মায়াবিনী বেশ্যাই নিজৰ বেশ্যা কৰ্ম্মৰ দ্বাৰাই জাতিসকলক আৰু নিজৰ মায়াকাৰ্য্যৰ দ্বাৰাই প্ৰজাসকলক বেচে, তাইৰ অধিক বেশ্যাকৰ্মৰ
কাৰণে এইবোৰ ঘটিছে। 5বাহিনীসকলৰ যিহোৱাই কৈছে, “চোৱা, মই তোমাৰ বিপক্ষে; মই তোমাৰ কাপোৰৰ আঁচল তোমাৰ মুখৰ ওপৰলৈকে
দাঙি তোমাক অনাবৃতা কৰিম; মই জাতিসকলক তোমাৰ বিবস্ত্ৰতা আৰু ৰাজ্যক তোমাৰ লাজ দেখুৱাম । 6আৰু মই তোমাৰ ওপৰত ঘিণলগীয়া
মইলা বস্তু পেলাই তোমাক ঘৃণনীয় কৰিম; মই তোমাক মানুহে ঠৰ লাগি চাই থকা বস্তু যেন স্থাপন কৰিম । 7তেতিয়া এনে ঘটিব, যে যি কোনোৱে
তোমালৈ চাব, তেওঁ তোমাৰ পৰা পলাব আৰু ‘নীনবি বিনষ্ট হ'ল বুলি ক'ব; কোনে তাইৰ কাৰণে বিলাপ কৰিব?’ মই ক'ৰ পৰা তোমাৰ কাৰণে শান্ত্বনা দিওঁতা লোক বিচাৰি আনিম?”

8হে নীনবি, তুমি জানো যি থিব্‌চ (নো-আমোন) নীল নদীবোৰৰ মাজত সজা আছিলা, যাৰ চাৰিওফালে জলসমূহ আছিল, যাৰ কোঁঠ সাগৰ
আৰু গড় সমুদ্ৰ, সেই থিব্‌চতকৈ (নো-আমোনতকৈ) তুমি জানো উত্তম? 9কুচ আৰু মিচৰ তাইৰ ক্ষমতা আছিল আৰু সেয়ে অসংখ্য আছিল;
পুটীয়া আৰু লূবীয়া তাইৰ মিত্ৰ আছিল।

10তথাপি তাইক (থিব্‌চক) নিয়া হৈছিল, তাই বন্দী-অৱস্থালৈ গ'ল, তাইৰ আটাই শিশুসকলক আলিৰ মূৰত আছাৰি ডোখৰ ডোখৰ কৰা হ'ল;
শত্ৰুবোৰে তাইৰ সম্ভ্ৰান্ত লোকসকলৰ বাবে চিঠী খেলিলে আৰু তাইৰ আটাই বৰ লোকসকলক শিকলিৰে বন্ধা হ'ল। 11তুমিও মতলীয়া হ'বা;
নিজকে লুকুৱাই ৰাখিবলৈ চেষ্টা কৰিবা; তুমি শত্ৰুৰ ভয়ত আশ্ৰয় লবলৈ এটা দুৰ্গ বিচাৰিবা । 12তোমাৰ আটাই কোঁঠ আগতিয়া গুটি লগা
ডিমৰু গছৰ নিচিনা হ'ব: যদি সেইবোৰ জোকাৰ খাই, তেতিয়া সেইবোৰ খাওঁতাৰ মুখত পৰে । 13চোৱা, তোমাৰ মাজত থকা প্ৰজাসকল
মহিলাসকলৰ নিচিনা; তোমাৰ দেশৰ দুৱাৰবোৰ শত্ৰুবোৰৰ কাৰণে বহলকৈ মেলা আছে; অগ্নিয়ে তোমাৰ দুৱাৰবোৰৰ ডাংবোৰ গ্ৰাস কৰিলে ।

14অৱৰোধ কালৰ কাৰণে তুমি পানী তুলি থোৱা; তোমাৰ কোঁঠবোৰ দৃঢ় কৰা, বোকালৈ গৈ বোকা খচা; ইটাৰ ভটাবোৰ মেৰামতি কৰা। 15সেই
ঠাইতে অগ্নিয়ে তোমাক গ্ৰাস কৰিব আৰু তৰোৱালে তোমাক ছেদন কৰিব। ফৰিঙৰ দৰে তোমাক খাই পেলাব; তুমি ফৰিঙ আৰু কাকতী
ফৰিঙৰ নিচিনা বহুসংখ্যক হোৱা। 16তুমি আকাশৰ তৰাবোৰতকৈ তোমাৰ বণিকসকলক অধিক কৰিলা; কিন্তু তেওঁলোক ফৰিংবোৰৰ নিচিনা:
তেওঁলোকে দেশ লুন্ঠণ কৰি তাৰ পাছত উড়ি গুচি যাই। 17তোমাৰ ৰাজকুমাৰসকল কাকতী ফৰিঙৰ সংখ্যাবোৰৰ নিচিনা আৰু তোমাৰ
সেনাপতিসকল এনে ফৰিঙৰ নিচিনা যি ফৰিঙে জাৰৰ দিনা বেৰাত আশ্ৰয় লয়-কিন্তু যেতিয়া বেলি উদয় হয়, তেতিয়া তেওঁলোকে যি ঠাইলৈ উড়ি যায়, সেই ঠাইৰ বিষয়ে কোনেও নাজানে।

18হে অচূৰৰ ৰজা, তোমাৰ ভেড়া-ৰখীয়াবোৰ টুপনিত আছে; তোমাৰ প্ৰধানলোকসকলে বিশ্ৰাম কৰি আছে। তোমাৰ প্ৰজাবোৰ পৰ্ব্বতৰ ওপৰত
গোট গোট হ'ল, কিন্তু তেওঁলোকক একেলগে গোট খোৱাবলৈ কোনো নাই। 19তোমাৰ ঘা সুস্থ হ'বলৈ কোনো সম্ভাৱনা নাই। তোমাৰ ঘা অত্যন্ত।
তোমাৰ বিষয়ে বাৰ্ত্তা শুনা সকলোৱে তোমালৈ হাত-তালি দিব; কাৰণ কোনে তোমাৰ অনৰ্গল দুষ্কৰ্মৰ পৰা মুক্তি পাইছে?

# অবদানকাৰী

## Assamese Unlocked Literal Bible অবদানকাৰী

Ajit Kumar Singha
Antoney Raj
Basanta Kumar Sarma
Cdr. Thomas Mathew
Dr. Bobby Chellappan
Hinal Prakash
Jobby Prasannan
Jumi Devi
Kanika Dhar
Kavita Bora
Merlyn Easa
Numali Tara
Rev. Tarun Singha
Rinu John
Sangeet Momin
Shojo John
Door43 World Missions Community

## Tischendorf Greek New Testament 8th edition অবদানকাৰী

eBible.org
Clint Yale
Dr. Maurice A. Robinson
Ulrik Sandborg-Petersen
Door43 World Missions Community